NEWZ NOW

সংখ্যা ৩৩ বৃহস্পতিবাৰ, ২৬ নৱেম্বৰ ২০২৬ অসমৰ ডিজিটেল বাতৰি কাকত

অনুসন্ধান

ৰাজ্য চৰকাৰৰ ১০,৯০৪ কোটি টকাৰ বিনিয়োগ: উভতি আহিল মাত্ৰ ১৫ কোটি টকা, কেগৰ প্ৰতিবেদনত ভয়ংকৰ তথ্য ফাদিল

অসমৰ ৩১টা চৰকাৰী কোম্পানী আৰু নিগমত বিনিয়োগ কৰা হৈছে ১০,৯০৩.৯৫ কোটি টকা। কিন্তু ২০২৪-২৫ বিত্তীয় বৰ্ষত মাত্ৰ এটাৰ পৰাহে চৰকাৰে ধন ঘূৰাই পাইছে। ৬.৭৬% গড় সুদৰ হাৰত এই বিনিয়োগৰ বাবদ বছৰি প্ৰায় ৭৩৭ কোটি টকাৰ সুতৰ বোজা বহন কৰিবলগীয়া হৈছে, অথচ ঘূৰি আহিছে মাত্ৰ ১৫ কোটি টকা।



NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, পুৱা ১১:৫৭

অসমে ৩১টা চৰকাৰী কোম্পানী আৰু নিগমত ৰাজহুৱা ধনৰ ১০,৯০৩.৯৫ কোটি টকা বিনিয়োগ কৰিছে। কিন্তু ২০২৪-২৫ বিত্তীয় বৰ্ষত ইয়াৰে মাত্ৰ এটাৰ পৰাহে চৰকাৰে কোনো ধন ঘূৰাই পাইছে। অসম পাৱাৰ জেনেৰেচন কৰ্প'ৰেচন লিমিটেডে (APGCL) চৰকাৰক ১৫ কোটি টকা ঘূৰাই দিছে। বাকী ৩০টা কোম্পানী আৰু নিগমৰ পৰা চৰকাৰে একো পোৱা নাই। ২০২৪-২৫ বৰ্ষৰ বাবে CAG-ৰ State Finances Audit Report-ত এই তথ্য প্ৰকাশ পাইছে।

ইফালে, অসম চৰকাৰে গড়ে ৬.৭৬% সুদৰ হাৰত ঋণ লয়। এই কোম্পানীসমূহত আবদ্ধ হৈ থকা ধনৰো এটা ব্যয় আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6500

অসম

ছমৰীয়াৰ মালিবাৰীত অগ্নিকাণ্ড: ভস্মীভূত দুটা বাসগৃহ



পঢ়ক: https://newznow.in/news/6417

আন্তঃৰাষ্ট্ৰীয়

বিকিনিৰ ওপৰত 'ওঁ' আৰু ত্ৰিশূলৰ চিহ্ন থকা চাৰং, ছুপাৰমডেলৰ কাণ্ডকলৈ তীব্ৰ বিতৰ্ক



পঢ়ক: https://newznow.in/news/6383

দেশ

নৱোদয় বিদ্যালয়ত ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগ: অধ্যক্ষৰ বিৰুদ্ধে পকচো আইনত গোচৰ ৰুজু



পঢ়ক: https://newznow.in/news/6391

দেশ

পাছপ'ৰ্টত জন্মস্থানৰ বিসংগতি: চিজেপি নেতা সৌৰভ দাসলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ জাননী



পঢ়ক: https://newznow.in/news/6336

আন্তঃৰাষ্ট্ৰীয়

প্ৰতিদিনে ৭২০ সৈন্যৰ মৃত্যু: ফাদিল হোৱা ১.১ কোটি ৰাছিয়ান মৃত্যুৰ প্ৰমাণপত্ৰই উন্মোচন কৰিলে মস্কোৰ গোপন যুদ্ধ - আৰু ভাৰতৰ ৭৭ সন্ধানহীন যুৱকৰ কৰুণ প্ৰশ্ন

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫১



২০২৩ চনৰ আগষ্ট মাহত ৰাছিয়াৰ হৈ যুদ্ধ কৰিবলৈ সেনাত যোগ দিছিল আলেকজেণ্ডাৰ ক'ৰেপান'ভে। যুদ্ধক্ষেত্ৰত তেওঁ দুবাৰকৈ গুৰুতৰভাৱে আহত হৈছিল - আৰু দুয়োবাৰেই তেওঁক পুনৰ সমুখ সমৰলৈ পঠিয়াই দিয়া হৈছিল। অৱশেষত ২০ মাহৰ নিৰ্মম যুদ্ধৰ অন্তত ২০২৫ চনৰ ১১ মে'ত পূব ইউক্ৰেইনৰ প'ক্ৰভস্ক চহৰৰ সমীপৰ উস্পেন'ভকা গাঁৱত ৫২ বছৰীয়া ক'ৰেপান'ভ নিহত হয়।

কিন্তু তেওঁ অকলে মৰা নাছিল। সেই একেটা সপ্তাহতেই তেওঁৰ সৈতে ৫,০০০-ৰো অধিক ৰাছিয়ান সৈন্যৰ মৃত্যু হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6523

দেশ

ভাৰতৰ উন্নতি বিশ্বৰ কোনো শক্তিশালী দেশে নিবিচাৰে: আৰএছএছ প্ৰধান মোহন ভাগৱত

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৯



নতুন দিল্লী, ২৫ নৱেম্বৰ: বিশ্বৰ কোনো শক্তিশালী দেশে ভাৰতৰ উন্নতি নিবিচাৰে বুলি মন্তব্য কৰিছে আৰএছএছৰ মুৰব্বী মোহন ভাগৱতে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6335

দেশ

'এতিয়া নহয়' - উমৰ খালিদ আৰু শাৰ্জিল ইমামৰ অন্তৰ্বৰ্তীকালীন জামিন আবেদন নাকচ উচ্চতম ন্যায়ালয়ৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:১০



নতুন দিল্লী, ২৫ নৱেম্বৰ: ২০২০ চনৰ উত্তৰ-পূব দিল্লীৰ হিংসাত্মক ঘটনাৰ ষড়যন্ত্ৰৰ গোচৰত অভিযুক্ত উমৰ খালিদ আৰু শাৰ্জিল ইমামক বৰ্তমানৰ বাবে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে উচ্চতম ন্যায়ালয়ে। বুধবাৰে জামিন আবেদন সন্দৰ্ভত শুনানি গ্ৰহণ কৰি বিচাৰপীঠে স্পষ্টকৈ জনায় যে এই মুহূৰ্তত অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰা নহয়। একে সময়তে দিল্লী আৰক্ষীৰ পৰা উত্তৰ বিচাৰি জাননী জাৰি কৰিছে আদালতে। ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মহনাৰ তিনিজনীয়া বিচাৰপীঠে গোচৰটোৰ শুনানি গ্ৰহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6395

অসম

মৰিগাঁৰত যান-বাহন নিয়ম উলংঘনকাৰী ২৩ জন চালকৰ অনুজ্ঞাপত্ৰ নিলম্বন

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৫



DL SUSPENSION LIST – NOVEMBER 2026

Sl No	DL Number	Driver Name
1	AS0320240006190	PABITRA SAIKIA
2	AS3120220014198	RAJIBUL HUSSAIN
3	NL0220160021915	RAJU CHANDRA DAS
4	AS1120200001542	APU DAS
5	WB6320150950313	HIRAK ROY
6	AS3220250001687	ASHADUL ISLAM
7	AS3220240007964	SHAHIDUL ISLAM
8	AS0220120017571	MD GULZAR HUSSAIN
9	AS0220180000950	SAFIKUL ISLAM
10	AS1820230010470	TOGIR ALI
11	AS0220200004459	NAKMADUR HUSSAIN
12	AS3420240010817	MANTU NATH
13	ML0520260000278	WANSHAPHRANG PATHAW
14	AS3120220013452	JYOTISH BISWAS
15	AS2120000008011	BABUL CH BORA
16	AS2520230015661	UTPAL RAHANG
17	AS1520220029015	SHAHINUR HOQUE
18	AS2620240000513	TAFFIUL ISLAM
19	AS0220190006440	MERAJUL ISLAM
20	AS0120210005349	AFTER ALI
21	AS3120220005651	MAIDUL ISLAM
22	AS2120210000532	MAFIDUL ISLAM
23	AS2120230000705	NUR AMIN

মৰিগাঁও, ২৫ নৱেম্বৰ:

পথ সুৰক্ষা সুনিশ্চিত কৰা আৰু দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে মৰিগাঁও জিলা প্ৰশাসন আৰু পৰিবহণ বিভাগে যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6313

মনোৰঞ্জন

মহাকাশলৈ প্ৰেৰণ হালাল খাদ্য !মহাকাশচাৰী জিশ্বান আলীৰ বাবে ১০০ বিধতকৈ অধিক হালাল খাদ্যৰ ব্যৱস্থা

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৪:৪১



২৬ নৱেম্বৰ, ২০২৬

মহাকাশচাৰী মহম্মদ জিশ্বান আলীৰ বাবে মহাকাশলৈ এশবিধতকৈ অধিক হালাল খাদ্য।বাটাৰ চিকেন, বীফ নিহাৰী, লেম্ব কোৰ্মা, মছলাযুক্ত বুটমাহকে ধৰি একাধিক খাদ্য বাছনি মহাকাশচাৰী জিশ্বান আলীৰ বাবে।

চীনৰ তিয়ানগং মহাকাশ কেন্দ্ৰত পাকিস্তানৰ মহাকাশচাৰী মহম্মদ জিশ্বান আলীৰ বাবে বিশেষ খাদ্যৰ ব্যৱস্থা কৰিছে চীনৰ মহাকাশচাৰী কেন্দ্ৰই। মহাকাশচাৰীগৰাকীৰ খাদ্যাভ্যাস, ধৰ্মীয় নীতি-নিয়ম আৰু পুষ্টিৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ১০০ বিধতকৈও অধিক হালাল খাদ্যৰ এক বিশেষ তালিকা প্ৰস্তুত কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6615

অসম

মটৰ পৰিবহণ সন্থাৰ চকা বন্ধ: জালুকবাৰীত যাত্ৰীৰ হাহাকাৰ, ব্যাহত যান-বাহন চলাচল

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৬



গুৱাহাটী: সদৌ অসম মটৰ পৰিবহণ সন্থাই আহ্বান জনোৱা অনিৰ্দিষ্টকালীন চকা বন্ধ কাৰ্যসূচীৰ ফলত গুৱাহাটী মহানগৰীত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈ পৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6585

অসম

গুৱাহাটীৰ বশিষ্ঠত প্ৰায় ১৫ লাখ টকাৰ জালনোটসহ দুজনক গ্ৰেপ্তাৰ বশিষ্ঠ আৰক্ষীৰ

NewzNow জিলা ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৫



২৬ নৱেম্বৰ , ২০২৬

গুৱাহাটীৰ বশিষ্ঠত প্ৰায় ১৫ লাখ টকাৰ জালনোটসহ দুজনক গ্ৰেপ্তাৰ বশিষ্ঠ আৰক্ষীৰ ।খানাপাৰা আৰু হাতীগাঁৱৰৰ কেৰাকুছিত আৰক্ষীয়ে পৃথক পৃথক অভিযান চলাই জব্দ কৰে জালনোটখিনি ।গ্ৰেপ্তাৰ কৰা লোক দুজন বকোৰ বুদ্দুছ আলি ওৰফে সমীৰ আৰু আজিবুৰ ৰহমান।

গুৱাহাটী মহানগৰীৰ বশিষ্ঠ আৰক্ষীয়ে দুটা পৃথক স্থানত অভিযান চলাই ১৪ লাখ ৮০ হাজাৰ টকাৰ মূল্যৰ জাল ভাৰতীয় নোট জব্দ কৰাৰ লগতে ঘটনা সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

এক গোপন সূত্ৰৰ পম খেদি বশিষ্ঠ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক কপিল পাঠকৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে মহানগৰীৰ খনাপাৰা আৰু হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কেৰাকুছিত এই অভিযান চলায়।

অভিযানকালত ধৃত ব্যক্তি দুজনক কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত চমৰীয়াৰ সৰ্বণকাটি গাঁৱৰ বুদ্ধুছ আলী ওৰফে সমীৰ (১৯) আৰু মাহতলীৰ বৰ সৰু আৰিকাটিৰ আজিবাৰ ৰহমান (২৭) বুলি চিনাক্ত কৰা হৈছে। দুয়ো বৰ্তমান হাতীগাঁও থানাৰ অন্তৰ্গত কেৰাকুছিত বসবাস কৰি আছিল।

আৰক্ষীয়ে অভিযুক্ত দুজনৰ জিম্মাৰ পৰা ৫০০ টকীয়া নোটৰ মুঠ ২,৯৬০ খন জাল নোট উদ্ধাৰ কৰে। ইয়াৰ উপৰিও আৰক্ষীৰ দলটোৱে দুটা মোবাইল ফোন, এখন মটৰচাইকেল, এটা লেপটপ আৰু এটা প্ৰিণ্টাৰ জব্দ কৰিবলৈ সক্ষম হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6614

আন্তঃৰাষ্ট্ৰীয়

ডয়চে বেংকৰ ১.৫ কোটি গোপন নথি ফাদিল: ক্ষমতাশালী গ্ৰাহকৰ বাবে নিয়ম উলংঘনৰ গুৰুতৰ অভিযোগ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, পুৱা ১০:০৪



জার্মানীৰ সর্ববৃহৎ বিত্তীয় প্ৰতিষ্ঠান ডয়চে বেংকৰ ১.৫ কোটিৰো অধিক আভ্যন্তৰীণ নথি ফাদিল হোৱাৰ ঘটনাই আন্তঃৰাষ্ট্ৰীয় নিয়ামক সংস্থাসমূহৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু বিত্তীয় বজাৰত অস্থিৰতা নমাই আনিছে। ইউৰোপৰ অন্যতম গুৰুত্বপূৰ্ণ এই বেংকটোৱে প্ৰভাৱশালী ৰাজনৈতিক নেতা আৰু ধনকুবেৰ গ্ৰাহকসকলৰ ক্ষেত্ৰত কেনে ব্যৱহাৰ কৰিছিল, তাৰ অভূতপূৰ্ব চিত্ৰ এই নথিসমূহত উন্মোচিত হৈছে।

ইনছাইড ডয়চে বেংক (Inside Deutsche Bank) নামাকৰণ কৰা এই আন্তঃৰাষ্ট্ৰীয় অনুসন্ধানে পৰিসৰৰ দিশৰ পৰা ২০১৬ চনৰ পানামা পেপাৰ্ছকো (১.১৫ কোটি নথি) চেৰ পেলাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6421

ৰাজনীতি

ৰাহুল গান্ধীৰ নাম থকা লেখা পোষ্টত বাধা দিয়াৰ অভিযোগ: কংগ্ৰেছৰ সৈতে মেটাৰ বৈঠক

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৩২



নতুন দিল্লী, ২৫ নৱেম্বৰ: কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ নাম উল্লেখ থকা ছ'চিয়েল মিডিয়া পোষ্টত মেটাই বাধা আৰোপ কৰাৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6342

অসম

মৈৰাবাৰীত দীৰ্ঘদিনে পলাতক চাইবাৰ অপৰাধী কাৰিজুল ইছলামক আটক

নাছিদুৰ ৰহমান | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৭



মৈৰাবাৰী, ২৫ নৱেম্বৰঃ মৈৰাবাৰীত আৰক্ষীৰ অভিযানত দীৰ্ঘদিন ধৰি পলাতক অৱস্থাত থকা কাৰিজুল ইছলাম নামৰ এজন লোকক আটক কৰা হৈছে। মৈৰাবাৰী আৰক্ষী থানাত ৰুজু হৈ থকা ৮২/২৬ নম্বৰৰ গোচৰৰ ভিত্তিত তেওঁক আটক কৰা বুলি জানিব পৰা গৈছে।

আটকাধীন কাৰিজুল ইছলামৰ ঘৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত লোচনাবৰী গাঁৱত। দীৰ্ঘদিন ধৰি পলাতক হৈ থকা কাৰিজুলক মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিকুঞ্জ বৰ্মনৰ নেতৃত্বত চলোৱা এক অভিযানত আটক কৰিবলৈ সক্ষম হয় আৰক্ষী।

ইতিমধ্যে আৰক্ষীয়ে কাৰিজুল ইছলামক আদালতত হাজিৰ কৰোৱা বুলি জানিব পৰা গৈছে। অৱশ্যে তেওঁৰ বিৰুদ্ধে থকা নিৰ্দিষ্ট অভিযোগ বা গোচৰটোৰ বিস্তৃত তথ্য বৰ্তমান জানিব পৰা হোৱা নাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6298

মনোৰঞ্জন

মুঠ কিমান টকা উপার্জন কৰিলে 'ৰৈ ৰৈ বিনালে' ছবিখনে ? কিমান লাভ হ'ব নির্মাতাৰ ? প্ৰথমবাৰৰ বাবে হিচাপ কৰিলে ৰাজহুৱা

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৬



গুৱাহাটী, ২৬ নৱেম্বৰ: জনপ্ৰিয় শিল্পী জুবিন গার্গৰ অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে'ৰ উপার্জন আৰু ব্যয়ৰ সম্পূৰ্ণ হিচাপ ৰাজহুৱা কৰিছে নির্মাতা সংস্থা 'আই ক্ৰিয়েশ্যন' আৰু 'জিল ক্ৰিয়েশ্যনছে'। ছবিখনৰ প্ৰতি অসমবাসী দৰ্শকে আগবঢ়োৱা অভূতপূৰ্ব সঁহাৰিৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি নির্মাণ ব্যয়, ছবিগৃহৰ পৰা হোৱা উপার্জন, কৰ পৰিশোধ আৰু সৰ্বশেষত লাভৰ পৰিমাণৰ বিতং তথ্য প্ৰকাশ কৰিছে নির্মাতা সংস্থা দুটাই। প্ৰকাশিত হিচাপ অনুসৰি, 'ৰৈ ৰৈ বিনালে'ৰ মুঠ ৰাজহৰ পৰিমাণ ৪৩ কোটি ২ লাখ ৪১ হাজাৰ ৫৩৯ টকা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6654

দেশ

আলিগড়ত ১২জন বাংলাদেশী নাগৰিক গ্ৰেপ্তাৰ, জব্দ আধাৰ-পেন কার্ডসহ একাধিক নথি

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৬



আলিগড়, ২৬ নৱেম্বৰ:
আলিগড়ত আৰক্ষীৰ জালত ১২ বাংলাদেশী নাগৰিক গোপন সূত্ৰৰ ভিত্তিত উত্তৰ প্ৰদেশ আৰক্ষীয়ে চলাইছিল অভিযান ।ধৃত লোককেইটাৰ পৰা আধাৰ, পেন আৰু ভোটাৰ কার্ড উদ্ধাৰ বেংক একাউণ্টৰ লগতে EPFO কার্ডো জব্দ কৰে আৰক্ষীয়ে। জব্দকৃত ম'বাইল ফোনৰ পৰা বাংলাদেশৰে যোগাযোগৰ তথ্য লাভ । আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে আৰক্ষীয়ে ৰুজু কৰিছে গোচৰ।
উত্তৰ প্ৰদেশৰ আলিগড়ত অবৈধভাৱে বসবাস কৰাৰ অভিযোগত একেটা পৰিয়ালৰ ১২ জন সদস্যক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6566

ৰাজনীতি

বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ ২৪ ঘণ্টাৰ ভিতৰত পদত্যাগ দাবী অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৪



গুৱাহাটী, ২৫ নৱেম্বৰ: অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ ৰাজ্য চৰকাৰ আৰু শাসকীয় বিজেপি দলক তীব্ৰ সমালোচনা কৰিছে অসম প্ৰদেশ মহিলা কংগ্ৰেছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6366

অসম

জুবিন গার্গৰ মৃত্যুৰ ন্যায় বিচাৰি ২৮ নৱেম্বৰত পুনৰ গণসমাবেশৰ আহ্বান বিধায়ক অখিল গগৈৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:৪৫



গুৱাহাটী, ২৫ নৱেম্বৰ: প্ৰয়াত কণ্ঠশিল্পী জুবিন গার্গৰ মৃত্যুৰ ন্যায় বিচাৰি অহা ২৮ নৱেম্বৰত জুবিন ক্ষেত্ৰত এক বৃহৎ গণসমাবেশৰ আহ্বান জনাইছে বিধায়ক অখিল গগৈয়ে। সেইদিনা পুৱা ১১ বজাৰ পৰা এই গণসমাবেশ অনুষ্ঠিত হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6407

ৰাজনীতি

SP-কংগ্রেছৰ আসন ভাগ-বাটোৱাৰাত নতুন জটিলতা! আমেঠী-ৰায়বেৰেলীৰ ১০খন আসনক লৈ মতানৈক্য

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:১৬



নতুন দিল্লী, ২৫ নৱেম্বৰ: ২০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ পূৰ্বে সমাজবাদী পাৰ্টি আৰু কংগ্রেছৰ মাজত আসন ভাগ-বাটোৱাৰাক লৈ মতানৈক্যৰ আশংকা বৃদ্ধি পাইছে। সহাৰনপুৰৰ পাছত এইবাৰ আমেঠী আৰু ৰায়বেৰেলীৰ ১০খন বিধানসভা আসনক কেন্দ্ৰ কৰি দুয়োটা দলৰ মাজত নতুন জটিলতাৰ সৃষ্টি হৈছে।

২০২৪ চনৰ লোকসভা নিৰ্বাচনত ৰায়বেৰেলীৰ সাংসদ ৰাহুল গান্ধীকে ধৰি কংগ্রেছে এই দুয়োটা লোকসভা সমষ্টিতে জয়লাভ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6399

অসম

পুনৰ ট্ৰাম্পৰ শুল্ক বোমা! ভাৰতৰ সামগ্ৰীৰ ওপৰত ২৫%, চীনৰ বাবে ৪০% পৰ্যন্ত শুল্ক আৰোপৰ প্ৰস্তাৱ ট্ৰাম্প প্ৰশাসনৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৩



নতুন দিল্লী, ২৫ নৱেম্বৰ: ভাৰতসহ কেইবাখনো দেশৰ পৰা আমেৰিকালৈ আমদানি কৰা সামগ্ৰীৰ ওপৰত ২৫ শতাংশ পৰ্যন্ত শুল্ক আৰোপৰ প্ৰস্তাৱ আগবঢ়াইছে আমেৰিকাৰ বাণিজ্য প্ৰতিনিধিৰ কাৰ্যালয়ে (ইউএছটিআৰ)।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6359

প্ৰযুক্তি

যোৰহাট আৰু শিলচৰত দুটা ডাটা চেণ্টাৰ নিৰ্মাণ কৰিব এয়াৰটেলে, বিনিয়োগ হ'ব ৪৫৫ কোটি টকা

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:১৫



গুৱাহাটী, ২৫ নৱেম্বৰ: অসমৰ ডিজিটেল আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৰহাট আৰু শিলচৰত দুটা বৃহৎ ডাটা চেণ্টাৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে ভাৰতী এয়াৰটেলে। মুঠ ৯ একৰ মাটিত নিৰ্মাণ হ'বলগীয়া এই দুয়োটা প্ৰকল্পৰ সামূহিক ক্ষমতা হ'ব ২৫ মেগাৱাট। প্ৰকল্প দুটাত প্ৰথম পৰ্যায়ত কোম্পানীটোৱে ৪৫৫ কোটি টকা বিনিয়োগ কৰিব।

এই সন্দৰ্ভত অসম চৰকাৰৰ তথ্য প্ৰযুক্তি বিভাগৰ সচিব নন্দিতা দত্ত আৰু এয়াৰটেলৰ প্ৰিয়ংকা জৈনৰ মাজত এক বুজাবুজি চুক্তি স্বাক্ষৰিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6322

ৰাজনীতি

লক্ষ্ণৌত মল্লিকাৰ্জুন খৰ্গেৰ 'সংবিধান ৰক্ষা মাৰ্চ'ৰ অনুমতি নিদিলে আৰক্ষীয়ে

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৪



লক্ষ্ণৌ, ২৫ নৱেম্বৰ: কংগ্রেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ লক্ষ্ণৌ ভ্ৰমণৰ পূৰ্বে দলটোৱে প্ৰস্তুতি চলোৱা 'সংবিধান ৰক্ষা মাৰ্চ'ৰ অনুমতি প্ৰত্যাখ্যান কৰিছে লক্ষ্ণৌ আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6362

অসম

এতিয়াৰে পৰা মাতৃসকলৰ লগতে পিতৃসকলেও পাব পিতৃত্বকালীন ছুটী- গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ঘোষণা

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৯



গুৱাহাটী, ২৬ নৱেম্বৰ:

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰুষ বিষয়া-কৰ্মচাৰীৰ বাবে ১৪ দিনৰ পিতৃত্বকালীন ছুটী ঘোষণা।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ যোগ্য পুৰুষ বিষয়া আৰু কৰ্মচাৰীসকলৰ বাবে ১৪ দিনৰ দৰমহাসহ পিতৃত্বকালীন ছুটীৰ ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰৰ অনুমোদন সাপেক্ষে ১৬ নৱেম্বৰত জাৰি কৰা এক অধিসূচনাৰ জৰিয়তে ন্যায়ালয়খনৰ স্থায়ী আৰু ঠিকাভিত্তিক পুৰুষ কৰ্মচাৰীসকলক এই সুবিধা প্ৰদান কৰা হয়।

এই নিয়ম গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গুৱাহাটীত অৱস্থিত মূল পীঠৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6601

অসম

পৰিৱেশ সংৰক্ষণত দেশৰ ভিতৰতে দ্বিতীয় স্থান লাভ অসমৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:০৮



গুৱাহাটী, ২৬ নৱেম্বৰ: পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ ভিতৰতে অসমে দ্বিতীয় স্থান লাভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6625

অসম

APSC কেলেংকাৰি: গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা অন্তৰ্বর্তীকালীন জামিন লাভ ৰাকেশ পালৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৯



২৬ নৱেম্বৰ, ২০২৬

APSC নিযুক্তি কেলেংকাৰি: ৰাকেশ পালক অন্তৰ্বর্তীকালীন জামিন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ।

অসম লোকসেৱা আয়োগ চমুকৈ এপিএছচিৰ নিযুক্তি কেলেংকাৰিৰ গোচৰত দোষী সাব্যস্ত হোৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালক গুৱাহাটী উচ্চ ন্যায়ালয়ে অন্তৰ্বর্তীকালীন জামিন মঞ্জুৰ কৰিছে। ন্যায়াধীশ কল্যাণ ৰায় সুৰানা আৰু ন্যায়াধীশ ৰাজেশ মজুমদাৰৰ খণ্ড বিচাৰপীঠে এই নির্দেশ প্ৰদান কৰে।

আদালতৰ নির্দেশ অনুসৰি, ২০২৭ চনৰ ২৮ ফেব্ৰুৱাৰীলৈকে অথবা মূল আপীলৰ নিষ্পত্তি নোহোৱালৈকে - যিটো আগতে হয় - এই জামিন বাহাল থাকিব। এই সময়ছোৱাত বিচাৰ আদালতে তেওঁক বিহা ১৪ বছৰৰ কাৰাদণ্ডৰ শাস্তি স্থগিত ৰখা হৈছে।

আদালতে ৰাকেশ পালক ১ লাখ টকাৰ বণ্ড আৰু সমপৰিমাণৰ ধনৰ তিনিজন জামিনদাৰ দিয়াৰ চর্তত জামিন প্ৰদান কৰিছে। জামিনদাৰসকলৰ ভিতৰত অন্ততঃ এজনৰ বিচাৰ আদালতৰ এলেকাৰ ভিতৰত স্থাৱৰ সম্পত্তি থাকিব লাগিব বুলি স্পষ্ট কৰি দিয়া হৈছে।

ইয়াৰ উপৰি, আদালতৰ আগতীয়া অনুমতি অবিহনে তেওঁ বিচাৰ আদালতৰ ভৌগোলিক এলেকা ত্যাগ কৰিব নোৱাৰিব। নিজৰ পাছপ'ৰ্ট আদালতত জমা দিয়াৰ লগতে তেওঁ থাকিবলগীয়া ঠিকনা আৰু যোগাযোগৰ ফোন নম্বৰ আদালতক জনোৱাটো বাধ্যতামূলক কৰা হৈছে।

ৰাকেশ পালৰ পত্নীৰ দুয়োটা বৃক্ক বিকল হৈ গুৰুতৰভাৱে অসুস্থ হৈ থকা আৰু চিকিৎসকে বৃক্ক সংৰোপণৰ পৰামর্শ দিয়াৰ বিষয়টো জামিন আবেদনত উল্লেখ কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6505

দেশ

২৬/১১ৰ আক্রমণৰ পিছৰে পৰা দেশৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী হৈছে: মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩০



গুৱাহাটী, ২৬ নৱেম্বৰ: ২০০৮ চনৰ ২৬ নৱেম্বৰত মুম্বাইত সংঘটিত ভয়াৱহ সন্ত্রাসবাদী আক্রমণৰ ১৮সংখ্যক বর্ষপূর্তিৰ দিনটোত প্রাণ হেৰুওৱা লোকসকলৰ প্রতি গভীৰ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিছে অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই। ২৬/১১ৰ আক্রমণক দেশৰ ইতিহাসৰ এক 'ক'লা দিন' বুলি অভিহিত কৰি তেওঁ কয় যে এই ঘটনাৰ পিছৰে পৰা ভাৰতৰ আভ্যন্তৰীণ আৰু বাহ্যিক নিৰাপত্তা ব্যৱস্থাই উল্লেখযোগ্য অগ্রগতি লাভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6638

মনোৰঞ্জন

গোপন ছাদত সাক্ষাৎকাৰ, এআই-নির্ভৰ হত্যাকাণ্ডৰ তালিকা আৰু 'দেশদ্রোহ'ৰ ভাবুকি: ইজৰাইলত জোকাৰণি তোলা 'নাজা' তথ্যচিত্র চালে ১৫ লাখ দর্শকে

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩১



তেল আভিভৰ নির্জন ঘৰৰ ছাদত নিশাৰ আন্ধাৰত গোপন কেমেৰাৰ সমুখত বহি ২৪ গৰাকী ইজৰাইলী সৈন্য আৰু সামৰিক চোৰাংচোৱা বিষয়াই গাজা যুদ্ধত নিজৰ অভিজ্ঞতা আৰু প্রত্যক্ষদর্শী বিৱৰণ দাঙি ধৰিছিল। নিৰাপত্তাৰ খাতিৰত তেওঁলোকৰ মুখমণ্ডল ডিজিটেল পদ্ধতিৰে অস্পষ্ট কৰি ৰখা হৈছিল আৰু কণ্ঠস্বৰ সলনি কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6565

ব্যৱসায়-বাণিজ্য

পেকেটজাত খাদ্যত অধিক চেনি, নিমখ আৰু চর্বিৰ পৃথক সতর্কবাণী বাধ্যতামূলক কৰাৰ নির্দেশ সর্বোচ্চ ন্যায়ালয়ৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১২



নতুন দিল্লী, ২৬ নৱেম্বৰ: অধিক চেনি, নিমখ অথবা চর্বি থকা পেকেটজাত খাদ্যৰ সন্মুখৰ ফালতে স্পষ্ট সতর্কবাণী প্রদর্শন কৰিবলৈ বৃহস্পতিবাৰে নির্দেশ দিছে সর্বোচ্চ ন্যায়ালয়ে। ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক প্রাধিকৰণক (এফএছএছএআই) আদালতখনে এই নির্দেশ দিয়ে। গ্রাহকে যাতে খাদ্যত থকা অপকাৰী উপাদানসমূহ সহজে চিনাক্ত কৰিব পাৰে, তাৰ বাবেই এই ব্যৱস্থা গ্রহণৰ নির্দেশ দিয়া হৈছে।

ন্যায়াধীশ জে বি পার্দিৱালা আৰু ন্যায়াধীশ কে বিনোদ চন্দ্রনৰ বিচাৰপীঠে স্পষ্ট কৰে যে অধিক চেনি, নিমখ আৰু চর্বিৰ বাবে পৃথক পৃথক সতর্কবাণী থাকিব লাগিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6557

অসম

গুৱাহাটীত ঘৰে ঘৰে আৱর্জনা সংগ্রহৰ বাবদ মাহে ৫০ টকা মাচুল নির্ধাৰণ পৌৰ নিগমৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩১


GUWAHATI MUNICIPAL CORPORATION (GMC)
Betkuchi, Dispur, Guwahati-781035

গুৱাহাটী, ২৬ নৱেম্বৰ: গুৱাহাটী মহানগৰীৰ প্রতিটো পৰিয়ালে ঘৰে ঘৰে গোটা আৱর্জনা সংগ্রহ সেৱাৰ বাবদ এতিয়াৰে পৰা প্রতিমাহে ৫০ টকাকৈ ব্যৱহাৰকাৰী মাচুল পৰিশোধ কৰিব লাগিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6597

অসম

সদৌ অসম মটৰ পৰিবহণ সস্থাৰ অনির্দিষ্টকালীন চকাবন্ধ: গুৱাহাটীসহ সমগ্ৰ ৰাজ্যত যাত্ৰীৰ হাহাকাৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, পুৱা ১১:৫৮



গুৱাহাটী, ২৬ নৱেম্বৰ:

অসমত অনির্দিষ্টকালীন চকাবন্ধ: ৰাজ্যজুৰি দেখাগৈছে চকাবন্ধৰ মিশ্রিত প্রভাৱ । স্তব্ধ বাণিজ্যিক পৰিবহণ, দুর্ভোগত যাত্রী।

সদৌ অসম মটৰ পৰিবহণ সস্থাই আহ্বান জনোৱা অনির্দিষ্টকালীন চকাবন্ধৰ ফলত বৃহস্পতিবাৰে পুৱাৰে পৰা গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন প্রান্তত বাণিজ্যিক পৰিবহণ ব্যৱস্থা ব্যাহত হৈ পৰিছে। পুৱা ৬ বজাৰ পৰা আৰম্ভ হোৱা এই প্রতিবাদৰ ফলত চিটি বাছ, মেজিক, অটোৰিক্সা আৰু দূৰণিবটীয়া যাত্রীবাহী বাহনৰ চলাচল বন্ধ নাইবা সীমিত হৈ পৰাত সাধাৰণ যাত্রীসকল তীব্র সমস্যাৰ সন্মুখীন হৈছে।

পুৱা ৬ বজাৰ পৰা সদৌ অসম মটৰ পৰিবহণ সস্থাই আহ্বান জনোৱা অনির্দিষ্টকালীন চকাবন্ধৰ প্রভাৱ ৰাজ্যৰ বিভিন্ন প্রান্তত পৰিলক্ষিত হৈছে। বাণিজ্যিক বাহনত স্পীড লিমিটিং ডিভাইচ (SLD) আৰু ভেহিকল লোকেশ্যন ট্রেকিং ডিভাইচ (VLTD) সংস্থাপনৰ ব্যৱস্থা সুনিয়ন্ত্রিত কৰাৰ দাবীত এই প্রতিবাদী কার্যসূচী গ্রহণ কৰা হৈছে।

চকাবন্ধৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত বাণিজ্যিক বাহনৰ চলাচল ব্যাহত হোৱাৰ বিপৰীতে ঠায়ে ঠায়ে ইয়াৰ প্রভাৱ মিশ্রিত ৰূপত দেখা গৈছে।

খানাপাৰা, আই এছ বি টি, পল্টন বজাৰ, গণেশগুৰি আৰু জালুকবাৰীকে ধৰি গুৱাহাটীৰ বিভিন্ন স্থানত বাহন নোপোৱাত যাত্রীসকলে দীঘলীয়া সময় অপেক্ষা কৰিবলগীয়া হয়। কার্যালয়ৰ কর্মচাৰী, শিক্ষার্থী আৰু পর্যটকসকল বিশেষভাৱে সমস্যাত পৰিছে। কাজিৰঙালৈ যোৱাৰ উদ্দেশ্যে আগতীয়াকৈ বাছ বুকিং কৰা বহু পর্যটকৰ যাত্রাও অনিশ্চিত হৈ পৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6511

অসম

যোগীঘোপাত নৰনাৰায়ণ সেতুৰ সমীপত ১৩জন বাংলাদেশী নাগৰিকক আটক

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৩



যোগীঘোপা, ২৬ নৱেম্বৰ:

যোগীঘোপাত একেলগে ১৩ বাংলাদেশীক আটক। ভাৰতত প্রৱেশ কৰিবলৈ লওঁতেই আটক বাংলাদেশীকেইটাক।

বঙাইগাঁও জিলাৰ যোগীঘোপাত আৰক্ষীৰ এক বিশেষ অভিযানত একেলগে ১৩জন বাংলাদেশী নাগৰিকক আটক কৰা হৈছে। কোনো বৈধ নথিপত্র নোহোৱাকৈ ভাৰতত প্রৱেশ কৰাৰ অভিযোগত বৃহস্পতিবাৰে পুৱতি নিশা আৰক্ষীয়ে লোককেইজনক আটক কৰে।

বঙাইগাঁৱৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে গোপন সূত্রৰ পম খেদি যোগীঘোপা থানাৰ অন্তর্গত নৰনাৰায়ণ সেতুৰ সমীপত এই অভিযান চলায়। আৰক্ষীৰ সূত্রই জনোৱা মতে, এখন অটোৰিক্সাৰে জিলাখনৰ সীমা পাৰ হ'বলৈ চেষ্টা কৰি থকা অৱস্থাতে লোকসকলক আটক কৰা হয়।

আটকাধীন লোকসকলক আহদ আলী (২০), আমিন খান (২৪), আমিনুল ইছলাম (১৮), আশাদুল আলী (২৫), ইছাৰুল ইছলাম (২৪), জেম শ্বেখ (২১), মাছাৰুল ইছলাম (২২), মিজেন শ্বেখ (২১), মিথুন শ্বেখ (২৬), মহম্মদ ৰাছেল আলী (২০), মহম্মদ মতলেব (২০), পাৰভেজ শ্বেখ (২১) আৰু ছামিম আলী (১৮) বুলি চিনাক্ত কৰা হৈছে।

প্রাথমিক জেৰাত লোককেইজনে নিজকে বাংলাদেশৰ ৰাজশাহী আৰু চাপাই নবাবগঞ্জ জিলাৰ বাসিন্দা বুলি প্রকাশ কৰিছে। আৰক্ষীয়ে সন্দেহ কৰা মতে, প্রায় দুমাহ পূর্বে চুবুৰীয়া ৰাজ্যৰ মাজেৰে তেওঁলোকে ভাৰতত অনুপ্রৱেশ কৰিছিল আৰু তাৰ পিছত দেশৰ বিভিন্ন স্থানলৈ গৈছিল।

বর্তমান আটাইকেইজনকে আৰক্ষীৰ জিম্মাত ৰাখি সোধা-পোছা চলাই থকা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6658

অসম

অবৈধ সম্পত্তিৰ গোচৰ: অৱসৰপ্ৰাপ্ত অভিযন্তা মহম্মদ ছামেদ আলী আৰু পত্নীৰ বিৰুদ্ধে ইডিৰ চাৰ্জশ্বীট

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৮



গুৱাহাটী, ২৬ নৱেম্বৰ: অসম লোকনির্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত কার্যবাহী অভিযন্তা মহম্মদ ছামেদ আলী আৰু তেওঁৰ পত্নী পাৰবীন চুলতানাৰ বিৰুদ্ধে ধন সৰবৰাহৰ অভিযোগত বিশেষ আদালতত চাৰ্জশ্বীট দাখিল কৰিছে প্ৰৱর্তন সঞ্চালকালয়ে (ইডি)। আয়ৰ সৈতে সংগতি নথকা প্ৰায় ৩.০৮ কোটি টকাৰ অবৈধ সম্পত্তি আহৰণ কৰাৰ অভিযোগত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদন্তকাৰী সংস্থাটোৰ তথ্য অনুসৰি, ২০০১ চনৰ ১ জানুৱাৰীৰ পৰা ২০২১ চনৰ ২৮ ফেব্ৰুৱাৰীলৈকে চলা পৰীক্ষণকালত মহম্মদ ছামেদ আলীয়ে প্ৰায় ৫.০৯ কোটি টকাৰ সম্পত্তি আহৰণ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6533

দেশ

হিন্দু মহিলা শিৰৰ সেন্দূৰক লৈ অশ্লীল মন্তব্য ইউটিউবাৰ, কমেডিয়ান যশ মহেশ্বৰীৰ, পাটনাত এজাহাৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



নতুন দিল্লী, ২৫ নৱেম্বৰ: ছট পূজাৰ সময়ত বিহাৰৰ মহিলাসকলে কপালত দীঘলকৈ সেন্দূৰ লোৱা পৰম্পৰাক লৈ অশালীন মন্তব্য কৰি তীব্ৰ বিতর্কত সোমাই পৰিছে ষ্টেণ্ড-আপ কমেডিয়ান যশ মাহেশ্বৰী। সামাজিক মাধ্যমত এই মন্তব্যক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পাছত পাটনা আৰক্ষীয়ে তেওঁৰ বিৰুদ্ধে এখন এজাহাৰ ৰুজু কৰিছে। নিজৰ ইউটিউব চেনেলত প্ৰকাশ কৰা 'মৱেলি কুৱেচনেবল' শীর্ষক এটা ষ্টেণ্ড-আপ কমেডী ভিডিঅ'ত যশ মাহেশ্বৰীয়ে এই আপত্তিজনক মন্তব্য কৰা দেখা গৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6333

অসম

সংবিধান দিৱসত গুৱাহাটীত কংগ্ৰেছৰ 'সংবিধান ৰক্ষা যাত্ৰা': মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাক তীব্ৰ আক্ৰমণ গৌৰৱ গগৈৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৬



গুৱাহাটী: সংবিধান দিৱস উপলক্ষে সংবিধান ৰক্ষাৰ দাবীত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে সমগ্ৰ দেশজুৰি 'ছেভ ভোট, ছেভ কানট্ৰী' প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6666

অসম

অসমত কর্মক্ষম বয়সৰ প্ৰায় আধা পুৰুষ ৰক্তহীনতাত আক্ৰান্ত: ৰাষ্ট্ৰীয় গড়ৰ দুগুণতকৈও অধিক

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৬



গুৱাহাটী, ২৬ নৱেম্বৰ: ৰাজ্যৰ জনস্বাস্থ্যৰ ক্ষেত্ৰত এক উদ্বেগজনক ছবি পোহৰলৈ আনিছে ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ (আইচিএমআৰ) শেহতীয়া এক ৰাষ্ট্ৰীয় সমীক্ষাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6539

অসম

লিখিত প্ৰতিশ্ৰুতি নোপোৱালৈকে চকাবন্ধ অব্যাহত ৰখাৰ ঘোষণা মটৰ পৰিবহণ সন্থাৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:১০



দিছপুৰ:

সদৌ অসম মটৰ পৰিবহণ সন্থাৰ সৈতে পৰিবহণ বিভাগৰ আয়ুক্ত সচিব আকাশদীপ আৰু উচ্চ পৰ্যায়ৰ বিষয়াৰ বৈঠক ।জনতা ভৱনত অনুষ্ঠিত বৈঠকত মটৰ পৰিবহণ সন্থাৰ ৬ টা দাবী পূৰণ কৰাৰ আশ্বাস পৰিবহণ বিভাগৰ।

ৰাজ্যজুৰি চলি থকা চকাবন্ধ কাৰ্যসূচীৰ মাজতে দিছপুৰৰ জনতা ভৱনত পৰিবহণ বিভাগৰ সৈতে সদৌ অসম মটৰ পৰিবহণ সন্থাৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। পৰিবহণ বিভাগৰ আয়ুক্ত-সচিব আকাশদীপ আৰু বিভাগটোৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সন্থাৰ এটি প্ৰতিনিধি দল আলোচনাত মিলিত হয়।

বৈঠকত সন্থাই উত্থাপন কৰা ছটা মূল দাবীৰ সন্দৰ্ভত বিতং আলোচনা কৰা হয়। সন্থাৰ প্ৰতিনিধিসকলে জনোৱা মতে, বিভাগে দাবীসমূহৰ প্ৰতি ইতিবাচক সঁহাৰি জনাইছে আৰু সেয়া পূৰণৰ আশ্বাস দিছে। কিন্তু চৰকাৰৰ পৰা লিখিত প্ৰতিশ্ৰুতি আৰু নিৰ্দেশনা লাভ নকৰালৈকে বন্ধ প্ৰত্যাহাৰ কৰা নহ'ব বুলি সন্থাই স্পষ্ট কৰি দিছে।

সন্থাৰ অন্যতম প্ৰধান দাবী আছিল ৰাষ্ট্ৰীয় ঘাইপথত জেক লগাই বাহন দাঙি এছএলডি পৰীক্ষা কৰা পদ্ধতি বন্ধ কৰা। এই প্ৰক্ৰিয়া অত্যন্ত বিপজ্জনক আৰু ইয়াৰ ফলত পথ দুৰ্ঘটনাৰ সম্ভাৱনা বৃদ্ধি পায় বাবে ইয়াক তৎকালীনভাৱে বন্ধ কৰিবলৈ বিভাগে ব্যৱস্থা ল'ব লাগে বুলি সন্থাই দাবী জনায়।

আনহাতে, বাহনৰ নামত ৩০খন পৰ্যন্ত ই-চালান থকাৰ অভিযোগ তুলি বাহন জব্দ কৰি থানাত আৱদ্ধ কৰি ৰখাৰ বিষয়টোতো আপত্তি দৰ্শায় সন্থাই। এনে চালানসমূহ আদালতলৈ প্ৰেৰণ কৰাৰ দাবী জনোৱা হৈছে, যাতে ন্যায়ালয়ৰ জৰিয়তে সমগ্ৰ বিষয়টোৰ নিষ্পত্তি হ'ব পাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6629

মনোৰঞ্জন

Netflixত পাকিস্তানী ছবি-ধাৰাবাহিক সম্প্ৰচাৰ নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ কঠোৰ নিৰ্দেশ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১২



নতুন দিল্লী, ২৬ নৱেম্বৰ: পাকিস্তানী অভিনেতা ফৱাদ খান আৰু মাহিৰা খান অভিনীত এখন নতুন ৱেব ছিৰিজক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে Netflixক ভাৰতত পাকিস্তানত নিৰ্মিত কোনো ছবি বা ধাৰাবাহিক সম্প্ৰচাৰ নকৰিবলৈ পুনৰ নিৰ্দেশ দিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে অ'টিটি মঞ্চটোক ২০২৫ চনৰ ৮ মে'ত জাৰি কৰা নিৰ্দেশনাৱলী কঠোৰভাৱে মানি চলিবলৈ সোঁৱৰাই দিয়ে।

'Jo Bachay Hain Sang Samait Lo' নামৰ পাকিস্তানী ধাৰাবাহিকখন ভাৰতত সম্প্ৰচাৰ হোৱাৰ সম্ভাৱনাক লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ত কেইবাটাও অভিযোগ আৰু আবেদন দাখিল হৈছিল। ইয়াৰ পাছতে কেন্দ্ৰীয় চৰকাৰে Netflixক তেওঁলোকৰ পূৰ্বৰ প্ৰতিশ্ৰুতি অক্ষুণ্ণ ৰাখিবলৈ নিৰ্দেশ দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6559

অসম

৫০ বছৰৰো অধিক কালৰ পাছত ব্ৰহ্মপুত্ৰৰ বুকুত পুনৰ ওলাই আহিল হেৰাই যোৱা গাঁও, ৩৭২ বিঘা ভূমি ঘূৰাই পোৱাৰ আশাত

নাছিদুৰ ৰহমান | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৬



নগাঁও, ২৬ নৱেম্বৰঃ এসময়ত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ গৰাখহনীয়াত নিজৰ ভেটি-মাটি হেৰুৱাইছিল বহু খিলঞ্জীয়া পৰিয়ালে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6485

আন্তঃৰাষ্ট্ৰীয়

২৫০ বিলিয়ন ডলাৰৰ বৃহৎ লোকচান: এনভিডিয়াৰ গুপ্তচৰবৃত্তিৰ আশংকা, চিপ সৰবৰাহৰ তদন্ত আৰু বিতৰ্কৰ আৱৰ্তত ভাৰতীয় মূলৰ শীৰ্ষ বিষয়া

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৮



শীৰ্ষ পৰিচালনা মণ্ডলীৰ অস্থিৰতাই গোলকীয় প্ৰযুক্তি বজাৰ কঁপাই তোলাৰ দুসপ্তাহ নৌহওঁতেই চিপ নিৰ্মাতা বৃহৎ প্ৰতিষ্ঠান এনভিডিয়া (Nvidia) বহুমুখী সংকটৰ সম্মুখীন হৈছে। প্ৰতিষ্ঠানটো এতিয়া আমেৰিকাৰ চোৰাংচোৱা সংস্থাৰ প্ৰতিবেদন, ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ কমিছনৰ (SEC) তদন্ত, আমেৰিকান কংগ্ৰেছৰ জেৰা আৰু দক্ষিণ-পূব এছিয়াৰ অন্যতম বৃহৎ অংশীদাৰ প্ৰতিষ্ঠানৰ বিৰুদ্ধে ৰপ্তানি-নিয়ন্ত্ৰণমূলক পদক্ষেপৰ সৈতে যুঁজ দিবলগীয়া হৈছে।

যোৱা ১২ নৱেম্বৰত ছিংগাপুৰস্থিত ক্লাউড প্ৰতিষ্ঠান মেগাস্পীড (Megaspeed)-ৰ এগৰাকী প্ৰাক্তন শীৰ্ষ বিষয়া এলিছ হু...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6425

ক্ৰীড়া

আইচিচি টেষ্ট ৰেংকিঙৰ শীৰ্ষ ১০ত ঋষভ পন্ত, শুভমন গিল আৰু যশস্বী জয়ছোৱাল

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৩০



নতুন দিল্লী, ২৫ নৱেম্বৰ: আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে (আইচিচি) প্ৰকাশ কৰা পুৰুষৰ টেষ্ট খেলুৱৈৰ শেহতীয়া ৰেংকিঙত ভাৰতীয় ক্ৰিকেটাৰসকলে চমকপ্ৰদ সাফল্য লাভ কৰিছে। নিউজিলেণ্ডৰ বিৰুদ্ধে ৱেলিংটন টেষ্টত আগবঢ়োৱা উৎকৃষ্ট প্ৰদৰ্শনৰ সুবাদত বেটছমেনৰ তালিকাত শীৰ্ষ দহটা স্থানৰ ভিতৰত স্থান দখল কৰিছে ভাৰতৰ তিনিগৰাকী খেলুৱৈ ঋষভ পন্ত, শুভমন গিল আৰু যশস্বী জয়ছোৱালে। বলাৰৰ তালিকাত তিনিটা স্থান আগুৰাই যৌথভাৱে দ্বিতীয় স্থানত উপনীত হৈছে তাৰকা পেচাৰ যশপ্ৰীত বুমৰাহ।

সোমবাৰে প্ৰকাশিত নতুন ৰেংকিঙত উইকেটৰক্ষক-বেটছমেন ঋষভ পন্ত ভাৰতীয়সকলৰ ভিতৰত সৰ্বোচ্চ স্থান...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6340

অসম

টীয়কৰ ৭,৫৯৮ বিঘা কৃষিভূমি ৰক্ষাৰ দাবীত সত্যাগ্ৰহত দেৱব্ৰত শইকীয়া, কংগ্ৰেছ নেতৃত্বৰ সমৰ্থন

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



টীয়ক, ২৫ নৱেম্বৰ: ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ নামত টীয়কৰ ৭,৫৯৮ বিঘা কৃষিভূমি, গো-চৰণীয়া পথাৰ আৰু জলাশয় খনন কৰি ধ্বংস কৰাৰ আশংকা প্ৰকাশ কৰি অঞ্চলটোত অব্যাহত আছে এক গণ সত্যাগ্ৰহ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6369

অসম

গুৱাহাটীত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ দৃষ্টিহীন ক্ৰিকেট প্ৰতিযোগিতা

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৪:০১



গুৱাহাটী, ২৬ নৱেম্বৰ:

প্ৰথমবাৰৰ বাবে অসমত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দৃষ্টিহীন ক্ৰিকেট প্ৰতিযোগিতা।দেশৰ কেইবাখনো ৰাজ্যৰ দৃষ্টিহীন ক্ৰিকেট দলে অংশগ্ৰহণ কৰিব এই টুৰ্নামেণ্টত।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6609

অসম

চকা বন্ধৰ প্ৰভাৱত শিৱসাগৰত স্তব্ধ যান-বাহনৰ চলাচল, ৰাজপথত আবদ্ধ দূৰণিবটীয়া যাত্ৰী

মোস্তাক আহমেদ | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩০



শিৱসাগৰ, ২৬ নৱেম্বৰঃ ৰাজ্যজুৰি সদৌ অসম মটৰ পৰিবহণ সন্থাৰ লগতে বিভিন্ন বেচৰকাৰী পৰিবহণ সংগঠনে আহ্বান জনোৱা অনিৰ্দিষ্টকালীন চকা বন্ধৰ ব্যাপক প্ৰভাৱ পৰিছে শিৱসাগৰতো। বৃহস্পতিবাৰে পুৱাৰে পৰা চহৰখনৰ ৰাজপথত যান-বাহনৰ চলাচল প্ৰায় স্তব্ধ হৈ পৰা পৰিলক্ষিত হৈছে।

পথ সুৰক্ষাৰ নামত চৰকাৰৰ দুমুখীয়া নীতি, SLD আৰু VLTD সঁজুলি সংস্থাপনৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন বিসংগতি আৰু ব্যাপক খেলিমেলিৰ প্ৰতিবাদত পৰিবহণ সংগঠনসমূহে এই চকা বন্ধৰ আহ্বান জনাইছে।

বন্ধৰ ফলত শিৱসাগৰৰ ৰাজপথত ব্যক্তিগত বাহন আৰু দুই-এখন বাণিজ্যিক বাহনৰ বাহিৰে আন বাহনৰ চলাচল প্ৰায় বন্ধ হৈ পৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6553

অসম

১৯৫০ চনতে অসম বিধানসভাত গৰু হত্যা বন্ধৰ দাবী কৰিছিল মৌলৱী আব্দুল মতলিব মজুমদাৰে ! সদন উত্থাপন কৰিছিল Animal Preservation Bill

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২১



গৰু হত্যা, পশুধন সংৰক্ষণ আৰু ধৰ্মীয় খাদ্যাভ্যাসক লৈ অসমত চলি অহা বিতৰ্কৰ ইতিহাস বহু পুৰণি। ১৯৫০ চনতে এই বিষয়সমূহক কেন্দ্ৰ কৰি অসম বিধানসভাত হৈছিল বিস্তৃত আলোচনা । ১৬ মাৰ্চ, ১৯৫০ত অনুষ্ঠিত বিধানসভাৰ অধিৱেশনত উত্থাপন কৰা হৈছিল '

'। বিধেয়কখনক লৈ হোৱা আলোচনাত পশুধন সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ লগতে কৃষি, দুগ্ধ উৎপাদন, মাংস ভক্ষণ আৰু চামৰা উদ্যোগৰ ওপৰত ইয়াৰ সম্ভাৱ্য প্ৰভাৱৰ বিষয়েও মতামত প্ৰকাশ কৰিছিল বিধায়কসকলে।

সেইদিনা বিধানসভাত বিধেয়কখন উত্থাপন কৰিছিল তদানীন্তন মন্ত্ৰী মৌলৱী আব্দুল মতলিব মজুমদাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6573

অসম

ডলু বিমানবন্দৰৰ অনুমোদন: শিলচৰত বিজেপিৰ বিশাল কৃতজ্ঞতা সমদল

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৪



শিলচৰ: কাছাৰৰ ডলু গ্ৰীণফিল্ড বিমানবন্দৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱাৰ পাছত সমগ্ৰ বৰাক উপত্যকাত আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6589

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত বিষাক্ত সুৰা সেৱন কৰি মৃত্যুৰ সংখ্যা ২০লৈ বৃদ্ধি, গ্ৰেপ্তাৰ ৯

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৮



ইম্ফল, ২৬ নৱেম্বৰ: মণিপুৰত সন্দেহজনক ভেজাল সুৰা সেৱনৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২০ জনলৈ বৃদ্ধি পাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6542

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত নিৰাপত্তা বাহিনীৰ অভিযান: দুটা বিদ্রোহী সংগঠনৰ পাঁচজন কেডাৰ গ্রেপ্তাৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০০



ইম্ফল, ২৬ নৱেম্বৰ: মণিপুৰত নিৰাপত্তা বাহিনীয়ে চলোৱা দুটা পৃথক অভিযানত দুটা বিদ্রোহী সংগঠনৰ এগৰাকী মহিলাসহ মুঠ পাঁচজন কেডাৰ গ্রেপ্তাৰ হৈছে। ২৫ নৱেম্বৰত চোৰাংচোৱা তথ্যৰ ভিত্তিত মণিপুৰ আৰক্ষী আৰু অসম ৰাইফলছৰ যুটীয়া দলে ৰাজ্যখনৰ বিভিন্ন স্থানত এই অভিযান চলায়। প্রথমটো অভিযানত ইম্ফল পশ্চিম কমাণ্ডো গোট আৰু ৩৩ নং অসম ৰাইফলছৰ এটা দলে প্রিপাক (প্র')ৰ এগৰাকী মহিলা কেডাৰক গ্রেপ্তাৰ কৰে। ধৃত মহিলাগৰাকীক কাকচিং জিলাৰ চৈৰেল ছাবাল লেইকাইৰ বাসিন্দা লাইশ্রাম চন্দ্রকলা দেৱী (৫৫) বুলি চিনাক্ত কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6534

আন্তঃৰাষ্ট্রীয়

ভাৰত মহাসাগৰে দেশসমূহক সংযোগ কৰা উচিত, বিভাজন নহয়: মালদ্বীপত অজিত ডোভাল

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, পুৱা ১১:২৩



ভাৰত মহাসাগৰীয় অঞ্চলত সৃষ্টি হোৱা নতুন নিৰাপত্তা প্রত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ সদস্য দেশসমূহৰ মাজত যৌথ সক্ষমতা বৃদ্ধি কৰাৰ আহ্বান জনাইছে ভাৰতৰ ৰাষ্ট্রীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে। বুধবাৰে মালদ্বীপৰ ৰাজধানী মালেত অনুষ্ঠিত কলম্বো ছিকিউৰিটি কনক্লেভৰ অষ্টম বৈঠকত অংশগ্রহণ কৰি তেওঁ কয় যে সাগৰে দেশসমূহক বিভক্ত কৰাৰ পৰিৱর্তে সংযোগহে কৰা উচিত। এই আঞ্চলিক নিৰাপত্তা মঞ্চৰ সদস্য দেশসমূহৰ উমৈহতীয়া স্বার্থ ৰক্ষাৰ বাবে ভাৰতে সকলো প্রয়োজনীয় সহায় আগবঢ়াবলৈ প্রতিশ্রুতিবদ্ধ বুলিও তেওঁ স্পষ্ট কৰি দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6454

অসম

অসমত অনির্দিষ্টকালীন চকা বন্ধৰ প্রভাৱ, তিনিচুকীয়াত পুৱাৰে পৰা ৰাজপথত যান-বাহনৰ চলাচল প্রায় স্তব্ধ

অভিজিৎ বিশ্বাস | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫২



তিনিচুকীয়া, ২৬ নৱেম্বৰঃ ৰাজ্যজুৰি আৰম্ভ হোৱা অনির্দিষ্টকালীন চকা বন্ধৰ প্রভাৱ তিনিচুকীয়াতো স্পষ্টভাৱে পৰিছে। বৃহস্পতিবাৰে পুৱাৰে পৰা চহৰখনৰ ৰাজপথত যান-বাহনৰ চলাচল যথেষ্ট হ্রাস পোৱা পৰিলক্ষিত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6515

অসম

ডাঃ হাবে টেৰনৰ বিৰুদ্ধে উত্থাপিত অভিযোগ ৰাজনৈতিক ষড়যন্ত্র: তুলিৰাম ৰংহাং

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৭



গুৱাহাটী, ২৬ নৱেম্বৰ: অসম বিধানসভাৰ উপাধ্যক্ষ তথা বিজেপি বিধায়ক ডাঃ হাবে টেৰনৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা গুৰুতৰ অভিযোগক পোনচাটেই নাকচ কৰিছে কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য তুলিৰাম ৰংহাঙে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6670

অসম

১০ লাখ টকাৰ উৎকোচ লৈ ধৰা পৰা অৱসৰপ্ৰাপ্ত বিষয়াৰ পেঞ্চন-গ্ৰেচুইটি স্থায়ীভাৱে কৰ্তন ৰাজ্য চৰকাৰৰ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৪



গুৱাহাটী, ২৬ নৱেম্বৰ: উৎকোচ গ্ৰহণৰ অভিযোগত হাতে-লোটে ধৰা পৰা এগৰাকী প্ৰাক্তন চৰকাৰী বিষয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। ১০ লাখ টকাৰ উৎকোচ লোৱাৰ অভিযোগ বিভাগীয় তদন্তত প্ৰমাণিত হোৱাৰ পিছতে প্ৰাক্তন বিষয়াগৰাকীৰ সম্পূৰ্ণ পেঞ্চন আৰু গ্ৰেচুইটি স্থায়ীভাৱে কৰ্তন কৰাৰ সিদ্ধান্ত লৈছে চৰকাৰে। অভিযুক্ত প্ৰাক্তন বিষয়াগৰাকী হৈছে দৰং জিলাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰাক্তন মহাপ্ৰবন্ধক হেমন্ত কুমাৰ তালুকদাৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6642

ৰাজনীতি

বিজেপিৰ শাসন ব্ৰিটিছতকৈও বেয়া: গুৱাহাটীত ভূপেশ বাঘেলৰ অভিযোগ

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩২



গুৱাহাটী, ২৬ নৱেম্বৰ: বিজেপি চৰকাৰৰ শাসন ব্ৰিটিছৰ শাসনতকৈও বেয়া বুলি তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা এআইচিচিৰ সাধাৰণ সম্পাদক ভূপেশ বাঘেলে। সংবিধান দিৱস উপলক্ষে বুধবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ নেতাগৰাকীয়ে এই মন্তব্য কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6640

দেশ

ভাৰতৰ সামগ্ৰীৰ ওপৰত ২৫ শতাংশ পৰ্যন্ত শুল্ক আৰোপৰ প্ৰস্তাৱ আমেৰিকাৰ: দ্বিপাক্ষিক চুক্তি হ'লে ১৭ শতাংশলৈ হ্ৰাসৰ সম্ভাৱনা

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৬



নতুন দিল্লী: আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতকে ধৰি ১৪খন দেশৰ ওপৰত ২৫ শতাংশ পৰ্যন্ত নতুন অতিৰিক্ত শুল্ক আৰোপ কৰাৰ প্ৰস্তাৱ দিছে। আমেৰিকাৰ বাণিজ্য প্ৰতিনিধিৰ কাৰ্যালয়ে চলোৱা এক তদন্তৰ অন্তত উৎপাদন খণ্ডৰ নীতি আৰু ব্যৱস্থাক লক্ষ্য কৰি এই পদক্ষেপ লোৱা হৈছে। দুয়োখন দেশে প্ৰস্তাৱিত দ্বিপাক্ষিক বাণিজ্য চুক্তিত উপনীত হ'লে এই শুল্কৰ হাৰ ১৭ শতাংশলৈ হ্ৰাস পাব পাৰে।

আমেৰিকাৰ বাণিজ্য প্ৰতিনিধিয়ে ১৯৭৪ চনৰ বাণিজ্য আইনৰ ৩০১ অনুচ্ছেদৰ অধীনত এক তদন্ত চলাইছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6594

দেশ

চিজেপি নেতা সৌৰভ দাসৰ বিৰুদ্ধে মুম্বাই আৰক্ষীৰ লুক আউট চাৰ্কুলাৰ, দিল্লী উচ্চ ন্যায়ালয়ত জনালে গৃহ মন্ত্ৰালয়ে

NewzNow ডেস্ক | ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৭



নতুন দিল্লী, ২৬ নৱেম্বৰ: ককৰোচ জনতা পাৰ্টি চমুকৈ চিজেপিৰ সহ-আহ্বায়ক সৌৰভ দাসৰ বিদেশ যাত্ৰাত বাধা প্ৰদানৰ ঘটনাক লৈ পোহৰলৈ আহিছে নতুন তথ্য।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6519

দেশ

সৌৰভ দাসক পাছপ'ৰ্ট সন্দর্ভত কাৰণ দর্শোৱাৰ জাননী চেন্নাইৰ আঞ্চলিক পাছপ'ৰ্ট কার্যালয়ৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:০০



নতুন দিল্লী: পাছপ'ৰ্টৰ আবেদনত তথ্য লুকুওৱা তথা বিসংগতিৰ অভিযোগত সৌৰভ দাস নামৰ লোকজনক চেন্নাইৰ আঞ্চলিক পাছপ'ৰ্ট কার্যালয়ে কাৰণ দর্শোৱাৰ জাননী জাৰি কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্রালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এই কথা স্পষ্ট কৰিছে।

মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিয়া মতে, পাছপ'ৰ্টৰ আবেদন প্ৰক্ৰিয়াত আবেদনকাৰীয়ে সঠিক আৰু নির্ভুল তথ্য প্ৰদান কৰাটো বাধ্যতামূলক। কোনো পর্যায়ত যদি প্ৰশাসনে তথ্য লুকুওৱা বা কোনো অসঙ্গতি ধৰা পেলায়, তেন্তে আবেদনকাৰীক নিজৰ পক্ষ দাঙি ধৰাৰ সুযোগ দি কাৰণ দর্শোৱাৰ জাননী প্ৰেৰণ কৰা হয়।

আইন প্ৰয়োগকাৰী সংস্থাৰ প্ৰতিবেদনৰ ভিত্তিত চেন্নাইৰ আঞ্চলিক পাছপ'ৰ্ট কার্যালয়ে ২০২৬ চনৰ ২৩ নৱেম্বৰত সৌৰভ দাসলৈ এই জাননী প্ৰেৰণ কৰিছিল। উক্ত জাননীত তেওঁৰ জন্মস্থান সন্দর্ভত সাত দিনৰ ভিতৰত স্পষ্টীকৰণ দিবলৈ নির্দেশ দিয়া হৈছে।

ইয়াৰ উপৰি নিজৰ উত্তৰ দাখিল নকৰালৈকে সংশ্লিষ্ট পাছপ'ৰ্টখন ব্যৱহাৰ নকৰিবলৈও দাসক পৰামর্শ দিয়া হৈছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্রালয়ৰ মুখপাত্ৰগৰাকীয়ে কয়,

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6387

এই সংখ্যাত

১ ৰাজ্য চৰকাৰৰ ১০,৯০৪ কোটি টকাৰ বিনিয়োগ: উভতি আহিল মাত্ৰ ১৫ কোটি টকা, কেগৰ প্ৰতিবেদনত ভয়ংকৰ তথ্য ফাদিল

১ ছমৰীয়াৰ মালিবাৰীত অগ্নিকাণ্ড: ভস্মীভূত দুটা বাসগৃহ

১ বিকিনিৰ ওপৰত 'ওঁ' আৰু ত্ৰিশূলৰ চিহ্ন থকা চাৰং, ছুপাৰমডেলৰ কাণ্ডকলৈ তীব্ৰ বিতর্ক

১ নৱোদয় বিদ্যালয়ত ছাত্ৰীক যৌন নির্যাতনৰ অভিযোগ: অধ্যক্ষৰ বিৰুদ্ধে পকচো আইনত গোচৰ ৰুজু

১ পাছপ'ৰ্টত জন্মস্থানৰ বিসংগতি: চিজেপি নেতা সৌৰভ দাসলৈ বৈদেশিক পৰিক্ৰমা মন্ত্রালয়ৰ জাননী

২ প্ৰতিদিনে ৭২০ সৈন্যৰ মৃত্যু: ফাদিল হোৱা ১.১ কোটি ৰাছিয়ান মৃত্যুৰ প্ৰমাণপত্ৰই উন্মোচন কৰিলে মস্কোৰ গোপন যুদ্ধ - আৰু ভাৰতৰ ৭৭ সন্ধানহীন যুৱকৰ কৰুণ প্ৰশ্ন

২ ভাৰতৰ উন্নতি বিশ্বৰ কোনো শক্তিশালী দেশে নিবিচাৰে: আৰএছএছ প্ৰধান মোহন ভাগৱত

২ 'এতিয়া নহয়' - উমৰ খালিদ আৰু শার্জিল ইমামৰ অন্তৰ্তীকালীন জামিন আবেদন নাকচ উচ্চতম ন্যায়ালয়ৰ

২ মৰিগাঁৱত যান-বাহন নিয়ম উলংঘনকাৰী ২৩ জন চালকৰ অনুজ্ঞাপত্ৰ নিলম্বন

৩ মহাকাশলৈ প্ৰেৰণ হালাল খাদ্য ।মহাকাশচাৰী জিশ্বান আলীৰ বাবে ১০০ বিঘতকৈ অধিক হালাল খাদ্যৰ ব্যৱস্থা

৩ মটৰ পৰিবহণ সন্থাৰ চকা বন্ধ: জালুকবাৰীত যাত্ৰীৰ হাহাকাৰ, ব্যাহত যান-বাহন চলাচল

৩ গুৱাহাটীৰ বশিষ্ঠত প্ৰায় ১৫ লাখ টকাৰ জালনোটসহ দুজনক গ্ৰেপ্তাৰ বশিষ্ঠ আৰক্ষীৰ

৪ ডয়চে বেংকৰ ১.৫ কোটি গোপন নথি ফাদিল: ক্ষমতাশালী গ্ৰাহকৰ বাবে নিয়ম উলংঘনৰ গুৰুতৰ অভিযোগ

৪ ৰাহুল গান্ধীৰ নাম থকা লেখা পোষ্টত বাধা দিয়াৰ অভিযোগ: কংগ্ৰেছৰ সৈতে মেটাৰ বৈঠক

৪ মৈৰাবাৰীত দীর্ঘদিনে পলাতক চাইবাৰ অপৰাধী কাৰিজুল ইছলামক আটক

৫ মুঠ কিমান টকা উপার্জন কৰিলে 'ৰৈ ৰৈ বিনালে' ছবিখনে ? কিমান লাভ হ'ব নির্মাতাৰ ? প্ৰথমবাৰৰ বাবে হিচাপ কৰিলে ৰাজহুৱা

৫ বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ ২৪ ঘণ্টাৰ ভিতৰত পদত্যাগ দাবী অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ

৫ আলিগড়ত ১২জন বাংলাদেশী নাগৰিক গ্ৰেপ্তাৰ, জব্দ আধাৰ-পেন কার্ডসহ একাধিক নথি

৫ জুবিন গার্গৰ মৃত্যুৰ ন্যায় বিচাৰি ২৮ নৱেম্বৰত পুনৰ গণসমাবেশৰ আহ্বান বিধায়ক অখিল গগৈৰ

৬ SP-কংগ্ৰেছৰ আসন ভাগ-বাটোৱাৰাত নতুন জটিলতা! আমেঠী-ৰায়বেৰেলীৰ ১০খন আসনক লৈ মতানৈক্য

আৰু ৩৬টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen